# আগকথা

উচ্চ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত অসমীয়া বিষয়ত লেটাৰ নম্বৰ লৈ উত্তীৰ্ণ হোৱাৰ পিছৰে পৰা অসমীয়া সাহিত্যত গৱেষণা কৰাৰ মোৰ সপোনক সাকাৰ ৰূপ দিয়াৰ বাবে মই যাৰ পৰা সবাতোকৈ বেছি প্ৰেৰণা পাইছিলো, যিয়ে গৱেষণাৰ বিষয়-বস্তু বাছনিৰ দৰে জটিল কামটোক অতি সহজ কৰি মোক বিষয়টোলৈ আঙুলিয়াই দিছিল , সৰ্বপ্ৰথমে সেইগৰাকী বিশিষ্ট গল্পকাৰ আৰু ঔপন্যাসিকা শ্ৰদ্ধেয়া মিনতি চৌধুৰী বাইদেউক মই কৃতজ্ঞতাৰে সুৱৰিছোঁ। অগ্ৰজ ভগ্নীসদৃশ হৈয়ো মাতৃসুলভ মমতাৰে প্ৰতি পদে পদে গৱেষণাৰ নানান সমল আৰু তথ্যৰ যোগান ধৰি মিনতি বাইদেৱে যি সহায় আগবঢ়ালে সেই কথা আজীৱন মনত থাকিব। গৱেষণাৰ কাম আৰম্ভ কৰাৰ প্ৰথম দিনাৰে পৰা প্ৰতিটো মুহূৰ্ততে মাথোঁ সৃষ্টিমূলক দিহা পৰামৰ্শ দিয়াতে ক্ষান্ত নাথাকি সময়ে সময়ে প্ৰয়োজনীয় কিন্তু সহজতে পাবলৈ কঠিন গ্ৰন্থ, আলোচনী আদিও যোগান ধৰি গৱেষণা কৰ্মৰ শেষ পৰ্যায়লৈকে তেখেতৰ প্ৰজ্ঞাৰ ছাঁয়াত আশ্ৰয় দিয়া এই গৱেষণাৰ অন্যতম তত্বাৱধায়ক অধ্যাপক ড০ প্ৰদীপ জ্যোতি মহন্ত মহোদয়ক মই এই খিনিতে বিশেষভাৱে কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। তেখেতৰ সহায়, সহযোগ আৰু মোৰ বানান বিভ্ৰান্তিৰ প্ৰতি অনৰ্গল সকীয়নি নোপোৱা হ'লে অতি কম সময়ৰ ভিতৰতে বিৰতি নোলোৱাকৈ এই গৱেষণা কাৰ্য সম্পূৰ্ণ নহ'লহেঁতেন। এইজনা ব্যক্তিক সশ্ৰদ্ধ প্ৰণাম জনোৱাৰ বাহিৰে কৃতজ্ঞতা প্ৰকাশৰ ভাষা মই বিচাৰিয়েই নাপালোঁ। তেখেতৰ ওচৰত মই চিৰ ঋণী হৈ ৰ'লোঁ। গৱেষণাৰ তত্বাৱধায়ক ' কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়'ৰ অধ্যাপক ড০ উমেশ ডেকা মহোদয়ে গৱেষণাৰ বিভিন্ন স্তৰত তেখেতৰ বহুমূলীয়া উপদেশ আৰু তথ্যৰে গৱেষণা কাৰ্যক অধিক তথ্যভিত্তিক কৰি তুলিবলৈ আৰু যথাসময়ত গৱেষণা কাৰ্য সম্পন্ন কৰিবলৈ দিয়া উদগনিৰ বাবে মোৰ সশ্ৰদ্ধ প্ৰণিপাত জনালোঁ। উদাৰ অন্তৰেৰে গৱেষণা-গ্ৰন্থক নিখুঁত কৰি তোলাৰ তেখেতৰ পৰামৰ্শ আৰু প্ৰচেষ্টাৰ বাবে আজীৱন কৃতজ্ঞ হৈ থাকিম।

'কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়'ত গৱেষণা কৰিবলৈ আহি অতি মুকলি মনেৰে গৱেষণা কৰাৰ এক অগতানুগতিক ঘৰুৱা কিন্তু নিষ্ঠাশীল শৈক্ষিক বাতাৱৰণ লাভ কৰাৰ বাবে নিজকে ধন্য মানিছোঁ। এই পৰিৱেশেই হয়তো মোৰ গৱেষণাৰ ছাবি-কাঠি স্বৰূপ। এনে পৰিৱেশ সৃষ্টিৰ মূলতে থকা বিশ্ববিদ্যালয়ৰ উপাচাৰ্য শ্ৰীযুত হিতেশ ডেকা ছাৰ আৰু শৈক্ষিক ডীন অধ্যাপক অৰূপ জ্যোতি চৌধুৰী ছাৰক মই বিশেষভাৱে শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। এই দুগৰাকী শ্ৰদ্ধেয় ব্যক্তিৰ স্নেহ আৰু প্ৰেৰণাই সদায় মনোবল বৃদ্ধি কৰি আহিছে। লগতে বিভিন্ন কিতাপ, তথ্য আৰু অন্যান্য সা-সুবিধা প্ৰদান কৰি গৱেষণা কাৰ্যত অনুঘটকৰ ভূমিকা লোৱা এই বিশ্ববিদ্যালয়ৰ সমূহ শিক্ষক মণ্ডলী, কৰ্মচাৰী আৰু গ্ৰন্থগাৰিক , সদৌটিলৈকে

মোৰ কৃতজ্ঞতা জনাইছোঁ।

গৱেষণা-গ্ৰন্থ লিখিবৰ বাবে প্ৰয়োজন হোৱা ছফ্‌টৱেৰ ‘ৰামধেনুৰ’ নিৰ্মাতা অভিযন্তা উৎপল বৰুৱাক মই এই সুযোগতে মোৰ ধন্যবাদ জ্ঞাপন কৰিছোঁ। মাথোঁ টেলিফোন যোগেই দিয়া বহুমূলীয়া নিৰ্দেশেৰে এদিনৰ ভিতৰতেই মোক অসমীয়াত টাইপ কৰাৰ শিক্ষা দিয়াৰ উপৰিও গৱেষণাৰ আৰম্ভণিৰ পৰা অন্তিম পৰ্যায়লৈকে যিকোনো মুহূৰ্তত টাইপৰ সকলো ধৰণৰ সমস্যা সমাধান কৰি গৱেষণাক গতিশীলতা প্ৰদান কৰা বাবে মই তেওঁৰ আন্তৰিক শলাগ লৈছোঁ। লগতে বানানৰ আসোঁৱাহ দূৰ কৰাৰ ক্ষেত্ৰত অসমীয়া ই-অভিধান ‘আদৰ্শ দ্বিভাষিক অভিধান’ৰ প্ৰণেতা দুৰ্লভ গগৈলৈকো মোৰ ধন্যবাদ জনাইছোঁ। প্ৰতি পদে পদে তেওঁ আগবঢ়োৱা সহায়ৰ কথা সদায় মনত থাকিব।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ পুথিভঁৰাল ব্যৱহাৰ কৰোঁতে কিতাপ বাছনিৰ ক্ষেত্ৰত বিশ্ববিদ্যালয়ৰ পাণ্ডুলিপি বিভাগৰ ধনজিৎ তালুকদাৰ আৰু জিলা পুথিভঁৰালৰ পৰা তথ্য সংগ্ৰহ কৰোঁতে সহকাৰী গ্ৰন্থাগাৰিক মোৰ শৈশৱৰ সহপাঠী জয়া চৌধুৰীৰ সহায়ৰ কথা আজীৱন মনত থাকিব। লগতে গৱেষণাৰ কালছোৱাত সংগৃহীত পুৰণি কাকত - আলোচনী যোগান ধৰি সৰ্বতোপ্ৰকাৰে সহায় কৰা নাট্যকাৰ আৰু পৰিচালক শ্ৰী সুৰেন মেধি ডাঙৰীয়াক এই সুযোগতে মোৰ নমস্কাৰ জনাইছোঁ। মোৰ সামান্য অনুৰোধতেই মোৰ ঘৰলৈ আহি ভূপেন হাজৰিকাৰ সাংগীতিক আৰু ব্যক্তিগত জীৱনৰ তথ্যৰ লগতে প্ৰয়োজনীয় কিছু আলোচনী ,পুথি আৰু ফটো আদি যোগান ধৰি গৱেষণা কৰ্মক সফল কৰি তোলাৰ বাবে যি আগ্ৰহ দেখুৱালে, সেইজন গীতিকাৰ আৰু ভূপেন হাজৰিকাৰ সহযোগী কমল কটকীলৈয়ো মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

যাৰ একাগ্ৰ আগ্ৰহ, আৰু ইচ্ছাই মোক গৱেষণা কাৰ্যত ব্ৰতী হ’বলৈ অনুপ্ৰেৰণা যোগালে , সেই দুগৰাকী ব্যক্তি মোৰ পৰম -পূজনীয়া মাতৃ পদ্মিনী দাস আৰু মোৰ স্বৰ্গগত পিতৃ হৰেশ্বৰ দাসলৈ এইখিনিতে মোৰ সশ্ৰদ্ধ ভক্তি আৰু প্ৰণিপাত যাচিলোঁ। যাৰ অবিৰত চেষ্টা আৰু প্ৰেৰণাৰ ফলত মই এই গৱেষণা কাৰ্য সম্পাদন কৰিলোঁ সেইজন মোৰ স্বামী ডাঃ প্ৰমোদ চন্দ্ৰ দাসক মোৰ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জনালোঁ। এই কেইটা বছৰত সকলো ধৰণৰ সাংসাৰিক দায়িত্বৰ পৰা মুক্ত কৰি দি , লগতে গৱেষণাৰ বাবে প্ৰয়োজনীয় সমস্ত খৰচ পাতিৰ দায়িত্ব হাঁহি মুখে গ্ৰহণ কৰি মোৰ স্বামীয়ে মোক যি ধৰণে প্ৰতি পদে পদে সহায় কৰিলে, তাৰ বাবে মই তেওঁৰ ওচৰত চিৰ ঋণী হৈ থাকিম। লগতে মোৰ দুই পুত্ৰ অভিনৱ আৰু অনুভৱে ঘৰত এক সুস্থ শৈক্ষিক পৰিৱেশ সৃষ্টিৰে মোৰ গৱেষণাৰ কাম সুচল কৰি তোলা বাবে তেওঁলোক দুয়োলৈকে মোৰ স্নেহভৰা ধন্যবাদ জ্ঞাপন কৰিলোঁ।

মোৰ সহপাঠী পৰম বান্ধৱী তথা ‘কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়’ৰ গৱেষিকা কবিতা শৰ্মাই প্ৰতিদিনে মৰমৰ তাগিদাৰে গৱেষণা কৰ্মৰ হেমাহিৰপৰা মোক বিৰত নাৰাখিলে আজি হয়তো এই

(গ)

গৱেষণা কাৰ্য আধৰুৱা হয়েই ৰ'ল হেঁতেন। লগতে সংগীত শিল্পী মৰমৰ বান্ধৱী সংগীতা কাকতিয়ে নিয়মীয়াকৈ যোগান ধৰা গৱেষণা সম্বন্ধীয় তথ্যই এই গৱেষণাত যথেষ্ট অৰিহণা যোগালে। তেওঁলোক দুয়োকে এই সুযোগতে হিয়াভৰা মৰম আৰু ধন্যবাদ জ্ঞাপন কৰিলোঁ। সদৌ শেষত গৱেষণা গ্ৰন্থ খনৰ বিভিন্ন অধ্যায় মুদ্ৰণৰ ক্ষেত্ৰত সদায় অগ্ৰাধিকাৰ দিয়া 'প্ৰতিষ্ঠা ডি. টি. পি কেন্দ্ৰ'ৰ জগদীশ মেধি আৰু অসম বাইণ্ডিং প্ৰতিষ্ঠানৰ আইনুল হকক মোৰ ধন্যবাদ জনালোঁ।

তাৰিখ ঃ ৪/১১/১৬

অজন্তা দাস

( অজন্তা দাস )